# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 13-05-2025

***Assamese Evening Bulletin***
***Headlines***

১। পাকিস্তানত এতিয়া সন্ত্ৰাসবাদীয়ে শান্তিৰে লুকাই থাকিব পৰা কোনো ঠাই নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কঠোৰ বাৰ্তা দিছে।
২। কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ সৈতে জড়িত বিষয় সন্দৰ্ভত ভাৰত পুৰণি স্থিতিত অটল হৈ আছে বুলি বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।
৩। দেশৰ প্ৰতিৰক্ষা শিতানৰ বাজেট ২০২৫-২৬ বৰ্ষত ২০১৩-১৪ চনৰ ২ লাখ ৫৩ হাজাৰ কোটি টকাৰ পৰা ৬ লাখ ৮১ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে।
৪। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে উত্তৰ পূৰ্বাঞ্চলক দেশৰ অলংকাৰ হিচাপে অভিহিত কৰিছে। *আৰু*
৫। দেশৰ খুছৰা মুদ্ৰাস্ফীতি যোৱা এপ্ৰিলত ৩ দশমিক ১-৬ শতাংশলৈ হ্ৰাস পাইছে।

০০০০০

পাকিস্তানত এতিয়া সন্ত্ৰাসবাদীয়ে শান্তিৰে লুকাই থাকিব পৰা কোনো ঠাই নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কঠোৰ বাৰ্তা দিছে। তেওঁ কয় যে সন্ত্ৰাসবাদীক তেওঁলোকৰ ঘাটিতে নিঃশেষ কৰাৰ সামৰ্থ ভাৰতৰ আছে। পাঞ্জাবৰ আদমপুৰ বায়ু সেনা ঘাটিত আজি বাহিনীটোৰ জোৱানসকলৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে।

**বাইট**

সিন্দুৰ অভিযানৰ সাফল্যৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে কয় যে ভাৰতে পাকিস্তানত থকা সন্ত্ৰাসবাদীৰ ৯ টা শিবিৰ ধ্বংস কৰিছে আৰু এশৰো অধিক সন্ত্ৰাসবাদীক নিধন কৰিছে। তেওঁ কয়, যে সন্ত্ৰাসবাদীয়ে ভৰষা কৰা পাকিস্তানী সেনা ভাৰতীয় সশস্ত্ৰ বাহিনীৰ হাতত বাৰুকৈয়ে পৰাস্ত হৈছে। সন্ত্ৰাসবাদীৰ ষড়যন্ত্ৰকাৰীসকলে এতিয়া নিৰীহ লোকৰ ৰক্তক্ষয়ৰ পৰিণাম যে অকল বিনাশ আৰু ধ্বংস সেয়া ভালকৈ অনুধাৱন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট**

তেওঁ সিন্দুৰ অভিযানৰ সময়ত সশস্ত্ৰ বাহিনীয়ে প্ৰদৰ্শন কৰা সাহস, বীৰত্ব আৰু পেচাদাৰিত্বৰ ভূয়সী প্ৰশংসা কৰে। শ্ৰীমোদীয়ে কয়, যে সিন্দুৰ অভিযানে দেশৰ মনোবল বৃদ্ধি কৰিছে, দেশক একতাৰ ডোলেৰে বান্ধিছে আৰু সীমান্তসমূহ সুৰক্ষিত কৰিছে। তেওঁ কয়, যে সশস্ত্ৰ বাহিনীসমূহে দেশৰ গৌৰৱক নতুন শিখৰলৈ লৈ গৈছে আৰু এয়া সচাকৈ অভূতপূৰ্ব, অকল্পনীয় আৰু অসাধাৰণ। তেওঁ লগতে কয় যে বায়ু সেনাই পাকিস্তানত প্ৰৱেশ কৰি সন্ত্ৰসবাদীৰ

ঘাটিসমূহ আক্ৰমণৰ লক্ষ্য কৰি লয় আৰু মাত্ৰ ২০ ৰ পৰা ২৫ মিনিটৰ ভিতৰত সীমান্তৰ সীপাৰৰ লক্ষ্যত নিখুতভাৱে আঘাট হানি  অত্যাধুনিক প্ৰযুক্তিৰে সুসজ্জিত এটা পেছাদাৰী বাহিনীয়ে কিদৰে সাফল্য অৰ্জন কৰিব পাৰে সেয়া দেখুৱাই দিলে।

০০০০০

প্ৰতিৰক্ষা চোৰাংচোৱা সংস্থাৰ সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল দি এছ্ ৰাণাই আজি ৭০ খন দেশক সিন্দুৰ অভিযানৰ সফল পৰিচালনাৰ বিষয়ে অৱগত কৰে। তেওঁ নতুন যুগৰ যুদ্ধৰ সামৰিক শ্ৰেষ্ঠত্বৰে প্ৰদৰ্শিত দেশৰ শক্তি আৰু ৰাষ্ট্ৰীয় সংকল্পৰ বিষয়ে আলোকপাত কৰে। লেফটেনেণ্ট ৰাণাই এই ৰাষ্ট্ৰকেইখনৰ প্ৰতিনিধিবৰ্গক সন্ত্ৰাসবাদী ঘাটিসমূহ বাচি লোৱাৰ বিস্তৃত প্ৰক্ৰিয়াৰ বিষয়ে বিশদভাৱে অৱগত কৰে।

০০০০০

কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ সৈতে জড়িত বিষয় সন্দৰ্ভত ভাৰত পুৰণি স্থিতিত অটল হৈ আছে বুলি বিদেশ মন্ত্ৰালয়ে  প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে লগতে এই বিষয়সমূহ ভাৰত আৰু পাকিস্তানে দ্বিপাক্ষিকভাৱে মিমাংশা কৰিব লাগিব বুলি উল্লেখ কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেলত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে বিষয়টো সন্দৰ্ভত ভাৰতৰ স্থিতি সলনি হোৱা নাই আৰু ভাৰতে অকল পাকিস্তান অধিকৃত কাশ্মীৰৰ বিষয়লৈহে আলোচনা কৰিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

দেশৰ প্ৰতিৰক্ষা শিতানৰ বাজেট ২০২৫-২৬ বৰ্ষত ২০১৩-১৪ চনৰ ২ লাখ ৫৩ হাজাৰ কোটি টকাৰ পৰা ৬ লাখ ৮১ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে কৌশলগত সংস্কাৰ, ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ আৰু উদ্ভাৱনে থলুৱা নিৰ্মাণৰ প্ৰসাৰত অৰিহণা যোগাইছে। ইয়াৰ ফলত দেশ আত্ম নিৰ্ভৰশীল হৈ পৰিছে আৰু বিশ্ব পৰ্যায়ত নিৰ্ভৰযোগ্য  প্ৰতিৰক্ষা আহিলাপাতি ৰপ্তানীকাৰী হিচাপে পৰিগণিত হৈছে। ইয়াৰ ফলত ৰাষ্ট্ৰীয় সুৰক্ষা আৰু অৰ্থনৈতিক বিকাশ ত্বৰান্বিত হৈছে বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে উত্তৰ পূৰ্বাঞ্চলক দেশৰ অলংকাৰ হিচাপে অভিহিত কৰিছে। নতুন দিল্লীত আজি মেঘালয়ৰ খাচী পাহাৰ, জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰ  অঞ্চলৰ আত্মসহায়ক গোটসমূহৰ সদস্যসকলক সম্বোধন কৰি দিয়া ভাষণত শ্ৰীধনখড়ে আলোকপাত কৰে যে মেঘালয়ৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৩ শতাংশ বৃদ্ধি পাইছে। লুক ইষ্ট এক্ট ইষ্ট নীতিৰ অধীনত অঞ্চলটোত বিভিন্ন অগ্ৰগতিৰ বিষয়েও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্যখনৰ পৰ্যটন, খনি, তথ্য প্ৰযুক্তি, সেৱা খণ্ডৰ লগতে বিভিন্ন খণ্ডৰ বিপুল সম্ভাৱনা আছে। শ্ৰীধনখড়ে কয় যে মহিলাসকল আগবাঢ়ি আহিলেহে অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন হয়।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ আজি ঘোষণা কৰা চলিত বৰ্ষৰ দ্বাদশ আৰু দশম শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰে। দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ছাত্ৰীয়ে পুনৰবাৰ ছাত্ৰৰ তুলনাত উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। এইবাৰৰ পৰীক্ষাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯১ শতাংশ। এয়া ছাত্ৰৰ উত্তীৰ্ণৰ হাৰৰ তুলনাত ৫ দশমিক ৯-৪ শতাংশ অধিক। আনহাতে তৃতীয় লিংগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ হৈছে ১০০ শতাংশ। এই বছৰ মুঠ উত্তীৰ্ণৰ হাৰ হৈছে ৮৮ দশমিক ৩-৯ শতাংশ। এই হাৰ যোৱা বছৰৰ তুলনাত দশমিক ৪-১ শতাংশ বৃদ্ধি পাইছে।

উল্লেখযোগ্য যে, চলিত বৰ্ষৰ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত মুঠ ১৬ লাখ ৯২ হাজাৰ ৭৯৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

দশম শ্ৰেণীৰ পৰীক্ষাত এইবাৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯৩ দশমিক ৬-৬ শতাংশ। যোৱা বছৰ তুলনাত উত্তীৰ্ণৰ হাৰ ০ দশমিক ০-৬ শতাংশ বৃদ্ধি হৈছে। ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯৫ শতাংশ যিটো ছাত্ৰৰ উত্তীৰ্ণৰ হাৰৰ তুলনাত ২ দশমিক ৩-৭ শতাংশ অধিক। এইবাৰ দশম শ্ৰেণীৰ পৰীক্ষাত মুঠ ২৩ লাখ ৭১ হাজাৰ ৯৩৯ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। ছাত্ৰ-ছাত্ৰীসকলে ফলাফলসমূহ চিবিএছইৰ ৱেৰছাইট আৰু আন আন ডিজিটেল মঞ্চৰ জৰিয়তে লাভ কৰিব পাৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ-চিবিএচইয়ে আজি ঘোষণা কৰা চলিত বৰ্ষৰ দ্বাদশ আৰু দশম শ্ৰেণীত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত তেওঁ কয়, যে এই ফলাফল ছাত্ৰ-ছাত্ৰীসকলৰ সংকল্প, অনুশাসন আৰু কঠোৰ শ্ৰমৰ প্ৰতিফলন। তেওঁ এই কৃতিত্বত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা অভিভাৱক আৰু শিক্ষক, শিক্ষয়িত্ৰীসকলকো প্ৰশংসা কৰে। আনহাতে, যিসকল ছাত্ৰ-ছাত্ৰীয়ে তেঁওলোকৰ ফলাফলক লৈ হতাশ  হৈছে তেওঁলোকক প্ৰধানমন্ত্ৰীয়ে এই ফলাফলে একোজন ব্যক্তিক চিহ্নিত নকৰে বুলি কয়।

তেওঁ ছাত্ৰ-ছাত্ৰী সকলক আশ্বস্ত কৰি কয় যে তেওঁলোকৰ যাত্ৰা এতিয়াও বহুত বাকী আছে আৰু ই নম্বৰ তালিকাতকৈ বহু বেছি দূৰলৈ বিস্তৃত। তেওঁ শিক্ষাৰ্থীসকলক আত্মবিশ্বাসী আৰু উৎসাহী হ'বলৈ আহ্বান জনায়।

০০০০০

দেশৰ খুছুৰা মুদ্ৰাস্ফীতি যোৱা এপ্ৰিলত ৩ দশমিক ১-৬ শতাংশলৈ হ্ৰাস পাইছে। মাৰ্চত এই পৰিমাণ ৩ দশমিক ৩-৪ শতাংশ আছিল। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে জাৰি কৰা তথ্য অনুসৰি খুছুৰা মুদ্ৰাস্ফীতিৰ এই হাৰ ২০১৯ চনৰ জুলাইৰ পাছত আটাইতকৈ কম। এই সময়চোৱাত গ্ৰামাঞ্চলৰ মুদ্ৰাস্ফীতি ২ দশমিক ৯-২ শতাংশ আৰু নগৰাঞ্চলৰ মুদ্ৰাস্ফীতি ৩ দশমিক ৩-৬ শতাংশ হৈ আছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, শাক-পাচলি, ডাইল, ফল-মূল, মাছ, মাংস আৰু গোটা দানাজাতীয় শস্যৰ মূল্য হ্ৰাস পোৱাৰ বাবে মুদ্ৰাস্ফীতি হ্ৰাস পোৱা বুলি কোৱা হৈছে।

সমগ্ৰ দেশত উপভোক্তা খাদ্য মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতি বৰ্তমান ১ দশমিক ৭-৮ শতাংশলৈ হ্ৰাস পাইছে। মাৰ্চত এই পৰিমাণ ২ দশমিক ৬-৯ শতাংশ আছিল।

০০০০০

পাকিস্তানৰ বিৰুদ্ধে আক্ৰমণত ছহিদ হোৱা মণিপুৰৰ দীপক চিমনগাখাম নামৰ জোৱানজনৰ নশ্বৰ দেহ আজি ইম্ফললৈ অনা হয়। সীমান্ত সুৰক্ষা বাহিনী তথা সামৰিক বাহিনীয়ে সম্পূৰ্ণ সামৰিক মৰ্যাদাৰে জোৱানজনৰ শেষকৃত্য সম্পন্ন কৰে। যোৱা শনিবাৰে পাকিস্তানী সেনাৰ অপ্ৰৰোচিত গুলী বৰ্ষণত মণিপুৰৰ এই জোৱানজনৰ লগতে সীমান্ত সুৰক্ষা বাহিনীৰ ৮ জন জোৱান গুলীবিদ্ধ হৈছিল। দেওবাৰে চিকিৎসাধীন অৱস্থাত মণিপুৰৰ এই জোৱানজনে শেষ নিশ্বাস ত্যাগ কৰে। মণিপুৰৰ পূব ইম্ফল জিলা নিবাসী দীপক চিমনগাখাম সীমান্ত সুৰক্ষা বাহিনীৰ ৭ নম্বৰ বেটেলিয়নত কনিষ্টবল হিচাপে কৰ্মৰত আছিল। উল্লেখযোগ্য যে ভাৰত-পাকিস্তানৰ এই সংঘৰ্ষত সেনা বাহিনীৰ ৫ জোৱান ছহিদ হৈছে।

০০০০০¯

পাঞ্জাবৰ অমৃতচৰৰ মজিথা বিধানসভা সমষ্টিৰ অধীনৰ ৪ খন গাওঁৰ জনসাধাৰণে যোৱা নিশা ইথানলৰ পৰা প্ৰস্তুত কৰা বিষাক্ত সুৰা পান কৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২০ লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ভগৱন্ত সিং মানে আজি এই ঘটনাৰ বলি হোৱা লোকসকলৰ পৰিয়ালবৰ্গক সাক্ষাৎ কৰি কয়, যে এই ঘটনা সংক্ৰান্তত দুগৰাকী আৱকাৰী বিষয়া, এগৰাকী উপ আৰক্ষী অধীক্ষক আৰু এগৰাকী থানা মুৰববীক নিলম্বন কৰা হৈছে। এতিয়ালৈকে এই ঘটনাৰ মূল অভিযুক্তকে ধৰি ১০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে এই ঘটনাত নিহত লোকসকলৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ আৰু পৰিয়ালৰ এগৰাকী সদস্যক চাকৰি প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। ইপিনে, বিধানসভাৰ বিৰোধী পক্ষৰ নেতা প্ৰতাপ সিং বাজ্‌ৱাই এই ঘটনাক লৈ মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা কৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ